স্মৃতিগ্ৰন্থ

# শিমলু

## মহাৰজত জয়ন্তী বৰ্ষ

## শিমলীতোলা ৰঙালী বিহু সন্মিলন

স্থান ঃ শিমলীতোলা, জিলা ঃ গোৱালপাৰা, অসম

সম্পাদকদ্বয়
ড° দিগন্ত কলিতা
শ্ৰী মণিন্দ্ৰ দাস

# বিষয়-সূচী-

প্ৰবন্ধ / নিবন্ধ


| | | |
|---|---|---|
| ● বিহুগীতত নতুন শব্দচয়ন আৰু পৰম্পৰাগত সুৰ | ডঃ অনিল শইকীয়া | ॥ ১ |
| ● শিমলীতোলা ঃ মাটি আৰু মানুহৰ ঐতিহাসিক অনুসন্ধান | ডঃ কুশল হাজৰিকা | ॥ ৭ |
| ● বিহুগীতত অসমৰ জৈৱ-বৈচিত্ৰ্য | শিল্পী শৰ্মা | ॥ ১২ |
| ● অসমৰ জাতীয় উৎসৱ বিহু ঃ উৎপত্তি, পৰম্পৰা আৰু পৰিৱৰ্তন | বিদ্যুৎ দত্ত | ॥ ১৭ |
| ● অসমৰ মহা বিষুব সংক্ৰান্তিৰ উৎসৱ | দময়ন্তী পাঠক | ॥ ২২ |
| ● 'বিহুৰ পৰিৱৰ্তিত ৰূপ আৰু আমি' | নিৰ্মল চন্দ্ৰ কলিতা | ॥ ২৫ |
| ● কোচ-ৰাজবংশীৰ জাতীয় উৎসৱ 'বিষুৱা বা বেষমা' | জিতুমনি দাস | ॥ ২৮ |
| ● সংস্কৃতিৰ ক্ষেত্ৰখনত শিমলীতোলা বাসীৰ অৰিহণা এটি অৱলোকন | শ্ৰীজগত মেধী | ॥ ৩১ |
| ● বিহু আৰু বিহুনাম ঃ তেতিয়া আৰু এতিয়া | ডঃ দিগন্ত কলিতা | ॥ ৩৩ |
| ● শিমলীতোলা অঞ্চলত প্ৰচলিত ঘোষানাম | দিলীপ বৰুৱা | ॥ ৩৫ |
| ● শিমলীতোলাৰ বিয়াগীতত মৌখিক ..... | ৰঞ্জীতা হাজৰিকা | ॥ ৪০ |
| ● অসমীয়া সমাজৰ ৰূপৰেখা হিচাপে নামঘৰৰ ভূমিকা | ডঃ মিনাক্ষী দাস | ॥ ৪৪ |
| ● কৃষকৰ বিহু ঃ পথাৰৰ পৰা মঞ্চলৈ | হেমন্ত পাটগিৰী | ॥ ৪৭ |
| ● সংস্কৃতি আৰু সমন্বয়ৰ প্ৰতীক বিহুত গামোচা আৰু জাপি | মানিক পাল | ॥ ৫০ |
| ● বিহু গীতত প্ৰকাশিত প্ৰাকৃতিক চিত্ৰ আৰু সাহিত্যিক সৌন্দৰ্য্য সম্পৰ্কে চমু অৱলোকন ঃ | ডেইজী দাস | ॥ ৫২ |
| ● শিমলীতোলা চাহ-বাগিছাৰ ইতিবৃত্ত | জ্যোতিষ মেধী | ॥ ৫৪ |
| ● বিহু এক তাত্বিক অনুভৱ | সঙ্গীতা বনিক্য | ॥ ৫৭ |
| ● অসমীয়া জাতিৰ আয়ুসৰেখা ঃ ৰঙালী বিহু | যুগব্ৰতা পৰাশৰ | ॥ ৫৯ |
| ● সেই সময় এই সময় ক'ত কিয় কেনেকৈ ? | শ্ৰী দীগেন কুমাৰ বৰা | ॥ ৬১ |
| ● শিমলীতোলা স্থানীয় মহিলাৰ জীৱন-জীৱিকাৰ পৰম্পৰাগত উপায়সমূহ | দিপাঞ্জলী দাস | ॥ ৬৩ |
| ● বাপতি সাহোন বিহু আৰু বিজ্ঞান | ধ্ৰুৱজ্যোতি শৰ্মা | ॥ ৬৬ |
| ● "শিমলীতোলাত বিহুৰ উৎপত্তি" | ৰাজীৱ দাস | ॥ ৬৭ |
| ● শিমলীতোলা ৰঙালী বিহু সন্মিলনীৰ অতীত স্মৃতিৰ ৰেঙণি | ভূষন চন্দ্ৰ দাস | ॥ ৬৯ |
| ● ৰঙালী উৎসৱত আধুনিকতাৰ প্ৰভাৱ | শ্ৰী ধীৰাজ কলিতা | ॥ ৭১ |


Scanned with OKEN Scanner

# বিহুগীতত অসমৰ জৈৱ-বৈচিত্ৰ্য

শিল্পী শৰ্মা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।

সাধাৰণ অৰ্থত জৈৱ-বৈচিত্ৰ্য (Bio-diversity) বুলিলে কোনো এখন নিৰ্দিষ্ট ঠাইৰ জীৱিত প্ৰজাতিৰ বিভিন্নতা আৰু তেনে বিভিন্নতাই সৃষ্টি কৰা জটিল পৰিৱেশ তন্ত্ৰক সূচায়। পৃথিৱীৰ সকলো ঠাইৰে জলবায়ু, ভৌগোলিক পৰিৱেশ আদিৰ ভিন্নতা অনুসৰি তাত বাস কৰা উদ্ভিদ আৰু প্ৰাণীৰ প্ৰজাতি বেলেগ বেলেগ হয়। উদ্ভিদ আৰু প্ৰাণীৰ ভিন্ন ৰং, ভিন্ন আকৃতি, ভিন্ন ৰূপে বৈচিত্ৰ্যৰ সৃষ্টি কৰিলেও সকলো ঠাইতে জীৱকুলে প্ৰাকৃতিক ভাৰাসাম্য ৰক্ষা কৰি জীৱন নিৰ্বাহ কৰি আছে। ভৌগোলিক স্থানভেদে এনে ভিন্নতা থকাৰ উপৰি বিভিন্ন জৈৱিক প্ৰক্ৰিয়াৰ ফলস্বৰূপেও একোখন নিৰ্দিষ্ট ঠাইৰ জীৱকুলৰ প্ৰজাতিসমূহৰ মাজত ্যবচিত্ৰ্য পৰিলক্ষিত হয়। এনেধৰণৰ বিচিত্ৰতাৰ সৃষ্টি বিভিন্ন কাৰণত আৰু বিভিন্ন ধৰণেৰে হ'ব পাৰে। বিজ্ঞানীসকলে এনে বিচিত্ৰতা সৃষ্টি হোৱাৰ কাৰণ আৰু ধৰণৰ ওপৰত ভিত্তি কৰি জৈৱ-বৈচিত্ৰ্যক কেইবাটাও ভাগত ভাগ কৰিছে— জিনীয় বৈচিত্ৰ্য (Genetic Diversity), প্ৰজাতি বৈচিত্ৰ্য (Species Diversity), পৰিৱেশীয় বৈচিত্ৰ্য(Ecosystem Diversity) ইত্যাদি ৷বংশগতিৰ বাহক হ'ল জিন। জিনবোৰৰ সংমিশ্ৰণৰ ফলত একে প্ৰজাতিৰ জীৱৰ মাজত সৃষ্টি হোৱা বৈচিত্ৰ্যক জিনীয় বৈচিত্ৰ্য আখ্যা দিয়া হয়। সেইদৰে বিভিন্ন প্ৰজাতিৰ জীৱসমূহৰ মাজত যি পৰিলক্ষিত হোৱা বিচিত্ৰতাক প্ৰজাতি বৈচিত্ৰ্য বোলা হয়। কেতিয়াবা পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰিও একে প্ৰজাতিৰ বা ভিন্ন প্ৰজাতিৰ জৈৱ-সম্প্ৰদায়সমূহৰ মাজত বিচিত্ৰতৰৈ সৃষ্টি হয়। এনেদৰে সৃষ্টি হোৱা বিচিত্ৰতাক পৰিৱেশীয় বৈচিত্ৰ্য বোলা হয়। এখন ঠাইৰ জৈৱ-বৈচিত্ৰ্যই সেই ঠাইখনৰ মানৱ সম্প্ৰদায়ৰ জীৱন-ধাৰণৰ প্ৰণালী আৰু মান নিৰ্ণয় কৰে। নিৰ্দিষ্ট ঠাইখনত উপলব্ধ গছ-গছনি, জীৱ-জন্তু আৰু তাৰ প্ৰাকৃতিক পৰিৱেশটোৱে মানুহৰ জীৱন-যাপন ভিন্ন কৰি তোলে। মানুহে দৈনন্দিন জীৱনৰ বাবে প্ৰয়োজনীয় সামগ্ৰী নিজৰ ঠাইখনত পোৱা পৰিৱেশৰ পৰা প্ৰত্যক্ষ বা পৰোক্ষভাৱে আহৰণ কৰি ল'বলৈ বাধ্য। মানৱ সমাজ এখনৰ ধ্যান-ধাৰণা, চিন্তা-চৰ্চা, সৃষ্টিশীলতাও গঢ় লয় চাৰিওফালৰ পৰিৱেশটোৰ ওপৰত নিৰ্ভৰ কৰি। এনেবোৰ দিশে মানুহৰ সাংস্কৃতিক জীৱনটোও নিৰূপণ কৰে। সেইদৰে সাংস্কৃতিক জীৱনটোৱে মানৱ সমাজ এখনৰ ভাষা, লোক সাহিত্য, বিশ্বাস, পৰম্পৰা আদিৰ জন্ম দিয়ে। ভাষাবিজ্ঞানত চাপিৰ-হৰ্ফ হাইপ'থেছিচ (Sapir-Whorf Hypothesis)ত ভাষাৰ ওপৰত সাংস্কৃতিক পৰিৱেশৰ গুৰুত্বপূৰ্ণ প্ৰভাৱৰ কথা কোৱা হৈছে। সাংস্কৃতিক পৰিৱেশটোৱেহে আৰু সেই পৰিৱেশত উপলব্ধ সামগ্ৰী বা সম্পদসমূহেহে ভাষিক শব্দভাণ্ডাৰ গঢ় দিয়ে। এই ভাষিক সমলৰ দ্বাৰাই সাহিত্য সৃষ্টি হয়।



Scanned with OKEN Scanner

এখন ঠাইৰ জৈৱ-বৈচিত্ৰ্যই প্ৰাকৃতিক ভাৰাসাম্য ৰক্ষা কৰে। এনে জৈৱ-বৈচিত্ৰ্যৰ পাৰিপাৰ্শ্বিক শোভাবৰ্ধন, বাণিজ্যিক সুযোগ সৃষ্টি, সামাজিক-নৈতিক প্ৰমূল্যবোধৰ সৃষ্টি, পাৰস্পৰিক অস্তিত্ব ৰক্ষা আদিতো বিশেষ মূল্য থাকে।

ভাৰতৰ ইণ্ডো-বাৰ্মা জৈৱ-বৈচিত্ৰ্য হট্‌স্পট অঞ্চলৰ অসম এখন উল্লেখযোগ্য ঠাই। অসমৰ হাবিত বিভিন্ন প্ৰকাৰৰ গছ-লতা, ফল-ফুল, জীৱ-জন্তু আদি পোৱা যায়। অসমত ২৯ বিধ অৰ্কিড আৰু ৩৮ বিধ প্ৰাকৃতিকভাৱে উৎপন্ন হোৱা বাঁহৰ প্ৰজাতি পোৱা যায়। সেইদৰে অসমৰ মাটি, নদ-নদী, জলাহ-পিতনি আদিত বিভিন্ন প্ৰকাৰৰ জীৱ বসবাস কৰে। এইবোৰৰ সৈতে অসমীয়া মানুহৰ জীৱন অবিচ্ছিন্নভাৱে সংপৃক্ত হৈ আছে। এনে জৈৱ-বৈচিত্ৰ্যই অসমীয়া মানুহৰ জীৱন-ধাৰণ প্ৰণালী, আবাসিক গৃহ নিৰ্মাণ, জীৱিকা, ব্যৱসায়-বাণিজ্য, সংস্কৃতি আদি গঢ় দিছে। অসমৰ জলবায়ু, নদীৰ পাৰৰ পলসুৱা মাটিয়ে অসমীয়া মানুহৰ সভ্যতা নদীকেন্দ্ৰিক কৰি গঢ়ি তুলিছে। এনে পৰিৱেশেই কৃষিক অসমীয়া মানুহৰ জীৱন-জীৱিকা কৰি তুলিছে। এই কৃষিৰ পৰাই আৰম্ভ হৈছে কৃষ্টিৰ। বিহু অসমীয়া মানুহৰ কৃষিকেন্দ্ৰিক জীৱনচৰ্যাৰ পৰম্পৰাৰ পৰা উদ্ভুদ। বিহুৰ সৈতে উৰ্বৰা শক্তিৰ ধাৰণা অন্তৰ্নিহিত হৈ আছে। সময়ৰ সোঁতত বিহুৰ ৰূপৰ পৰিৱৰ্তন ঘটিছে। শস্যৰ পথাৰত উৰ্বৰা শক্তিৰ কামনা কৰি স্বামী-স্ত্ৰীৰ যৌনভঙ্গী নাচৰ পৰা বিহু নাচ ক্ৰমে গছতল, চোতালৰ পৰা মঞ্চত উঠিছেহি। সময়ৰ লগে লগে বিহু নাচৰ মুদ্ৰাভংগী আৰু তাৰ সৈতে জড়িত গীতৰো বিৱৰ্তন হৈছে। বিহুনাচৰ সৈতে জড়িত বিহুগীতসমূহ অসমীয়া জন জীৱনৰ সুখ-দুখ, প্ৰেম-বিৰহ, মিলন-বিচ্ছেদ, আশা-নিৰাশা আদিৰ পৰাই সৃষ্টি হৈছে। বিহুগীতসমূহ যদিও ডেকা-গাভৰুৰ প্ৰণয়মূলক গীত তথাপি হুঁচৰি নামসমূহত ঈশ্বৰ-দেৱতাৰ প্ৰাৰ্থনা, জ্যেষ্ঠজনৰ প্ৰতি শ্ৰদ্ধা আদি ভাৱো লক্ষ্য কৰা যায়। বিহুগীতৰ ভিতৰত যৌৱনৰ উদ্দাম কামনা-বাসনাৰ গোন্ধ থকা গীতবোৰক বিভিন্নজনে বনগীত, বনঘোষা আদি নামেৰে নামকৰণ কৰিছে।

বনঘোষাবোৰ যৌৱনৰ গীত; ই পিৰিতিৰো গীত। যৌৱন জীৱনৰ অনাহুত অতিথি। জীৱনলৈ অনাগত যৌৱন আহে অনাহুত হৈ। অনাহুত যৌৱনৰ লগতে পীৰিতি আহে হাতধৰী লিগিৰী হৈ। পীৰিতি মানুহৰ ব্যতিক্ৰম নহয়। বনঘোষাবোৰ বতৰৰ গীত। মানুহৰ জীৱনৰো বতৰ; প্ৰকৃতিৰো বতৰ। পৰিৱেশ আৰু প্ৰকৃতিয়ে যেতিয়া এখন নতুন পৃথিৱীৰ সন্ধান দিয়ে, মিলন যেতিয়া মানুহৰ জীৱনত অপৰিহাৰ্য্য হৈ উঠে, তেতিয়া পাৰিতিৰ পাতনি মেল খায়। (গগৈ, পৃ- ৬৩)

বিহুগীতসমূহৰ সৈতে অসমৰ প্ৰাকৃতিক পৰিৱেশটোৰ সম্পৰ্ক অভিন্ন। বহুকাল জুৰি প্ৰকৃতিৰ সৈতে একাত্ম হৈ বাস কৰাৰ ফলস্বৰূপে অসমীয়া মানুহে অভিজ্ঞতাৰ পৰা অসমৰ প্ৰকৃতি সম্পৰ্কে যি জ্ঞান লাভ কৰিছিল তাৰ আভাস বিহুগীতসমূহৰ মাজত পোৱা যায়। প্ৰকৃতিৰ সূক্ষ্ম পৰ্যৱেক্ষণৰ জৰিয়তে অসমীয়া মানুহে জীৱন আৰু জীৱনৰ অন্তৰ্লীন আবেগ-অনুভূতিক প্ৰকৃতিৰ বিভিন্ন উপাদানৰ সৈতে ৰিজনি দিয়া বিহুগীতসমূহত পোৱা যায়।

অসমৰ হাবিয়ে-বননিয়ে পোৱা প্ৰতিজোপা গছ-লতাৰ সৈতে অসমীয়া মানুহৰ যুগ-যুগৰ সম্পৰ্ক আছে। সেই গছ-লতাই দিয়া ফলৰ সোৱাদ আৰু ফুলৰ সুগন্ধই মানুহৰ প্ৰাণ তৃপ্ত কৰিছে, অন্তৰ্মনৰ ভাবাবেগৰ স্পৰ্শ কৰি তাৰ বৰ্হিপ্ৰকাশ কৰিছে বীজ এটা বাঢ়ি অহাৰ, কলিৰ পৰা ফুল ফুলি ফল ধৰাৰ

ছন্দৰ দৰেই ছন্দায়িত ৰূপত। বিহুগীতসমূহত এনে ফুল-ফল, গছ-লতাৰ উল্লেখ পোৱা যায় ডেকা-গাভৰুৰ প্ৰণয়ৰ সৈতে সামঞ্জস্য মিলাই জুৰি দিয়া একোটা কলি হিচাপে। কেতিয়াবা ছন্দ মিলাবলৈকো এনেকুৱা একোফাঁকি কলি জোৰা হয়—

ঔফুল ফুলিলে জগতে জানিলে
থেকেৰা ফুলিলে ৰাতি,
আমাৰে লাহৰী ওলাই আহিছে
যেন হালধিৰে গাঁঠি।

***

চ'তৈকৈ মহীয়া ৰ'দেনো চৌৰে চৌৰে
কিনো দুপৰীয়াৰ ভোক,
তিয়ঁহো নহ'লি চিৰালো নহ'লি
কেঁচাই খালোঁহেঁতেন তোক।

বহাগ বিহু মানে অসমীয়া মানুহৰ কেৱল কৃষিৰ আৰম্ভণিয়েই নহয়। প্ৰকৃতিয়েও এই সময়ত ন ৰূপ লয়। নতুন কুঁহিপাত, ফুল-ফলেৰে গছ-লতিকা জাতিষ্কাৰ হ'বলৈ আৰম্ভ কৰে। তাৰ সৈতে বাঢ়ি অহা মনৰ উল্লাস বিহুগীতৰ মাজেৰে প্ৰকাশ পাইছে—

নাহৰ ফুল ফুলিবৰ বতৰ
নাহৰ ফুলৰ গোন্ধ পাই নাচনীৰ ততে নাই
গচকত ভাগি যায় যতৰ।

* * *

চ'তে গৈ গৈ বহাগে পালেহি
ফুলিলে ভেবেলি লতা,
কৈনো কৈ থাকিলে ওৰকে নপৰে
বহাগ বিহুৰে কথা।

এনেধৰণে অসমত পোৱা তামোল-পাণ, কেতেকী, খৰিকাজাঁই, সেউতী, মালতী, পদুম, কপৌ,বকুল, সৰিয়হ, গোলাপ, তিতাফুল, বৰ্হমথুৰি, কোমোৱা, আঁহত, বিভিন্ন জাতৰ বাঁহ, আম, জামু, কঁঠাল, নিলাজী বন, দুবৰি, ঢেকীয়া, নল-খাগৰি, বিৰিণা, খেৰ, মকুৰা, কহুঁৱা, শিমলু, এজাৰ, বগৰী আদি বিভিন্ন জাতৰ গছ-বন, ফুল-ফল আদিৰ উল্লেখ বিহুগীতত পোৱা যায়। কেতিয়াবা প্ৰেনিক-প্ৰেমিকাৰ ৰূপৰ উপমা উপমা হিচাপে আৰু কেতিয়াবা এনে গছ-বনৰ বিশেষত্বক আভ্যন্তৰীণ মনোজগতৰ ৰূপক হিচাপে ব্যৱহাৰ কৰা হৈছে। এনেবোৰ উল্লেখে অসমত উপলব্ধ উদ্ভিদৰ বিভিন্ন প্ৰজাতি আৰু বৈচিত্ৰ্যময় পৰিৱেশৰ ইংগিত বহন কৰে। তাৰোপৰি এনে উদ্ভিসসমূহক কেন্দ্ৰ কৰি মুকলি হোৱা অৰ্থনৈতিক পথটো আৰু সাংস্কৃতিক পৰম্পৰাৰ ইংগিতো দুই-এটা বিহুগীতত লক্ষ্য কৰা যায়। নদীৰ পাৰৰ চাপৰিত অসমীয়া মানুহে সৰিয়হৰ খেতি কৰে, ইন্ধন হিচাপে স্থানীয় হাবিৰ পৰা পোৱা গছৰ শুকান ডাল-পাত ব্যৱহাৰ কৰে, তামোলক শ্ৰদ্ধা-সন্মান জনাবৰ বাবে ব্যৱহাৰ কৰে— এনেবোৰ পৰম্পৰাৰ প্ৰাচীনত্ব বিহুগীতৰ মাজত লক্ষ্য কৰা যায়—

ব্ৰহ্মপুত্ৰৰ পাৰৰে বৰ্হমথুৰি এজুপি
আমিনো খৰি লোৱা ঠাই,
ব্ৰহ্মপুত্ৰ দেৱতা উটুৱাই নিনিবা
তামোল দি মাতোতা নাই।
লুইতৰ চাপৰিত সৰিয়হ ফুলিলে
মোৱাপোকে বেৰি যায়,
চেনাইৰ পথাৰত চেনেহবোৰ ফুলিছে
মৰহি মলঙি যায়।

অসমীয়া জাতি কৃষিপ্ৰধান জাতি আৰু বিহু কৃষিপ্ৰধান উৎসৱ। অসমীয়া জাতিৰ হৃদপিণ্ডস্বৰূপ কৃষিৰ প্ৰসংগ বিহুগীতৰ এৰাব নোৱাৰা দিশ। কৃষিয়েই মানুহৰ আশা-ভৰসাৰ উৎস। বহাগ মাহত পথাৰৰ মাটি চহ কৰি কঠিয়া সিঁচাৰ পৰা আৰম্ভ কৰি আহিন-কাতিত ধান দাবলৈ আৰম্ভ কৰাৰ পৰা আঘোন-পুহত খেতি উঠালৈকে এটা দীঘলীয়া সময় ডেকা-গাভৰুৰ পৰা বুঢ়া-মেথালৈকে সকলো পথাৰৰ কামত ব্যস্ত হৈ থাকে। এই ব্যস্ত জীৱনৰ সুৰুঙাইদি চলি থাকে



Scanned with OKEN Scanner

বহাগৰ বিহুতলীৰ পৰা পথাৰৰ সোণালী ধান চপোৱালৈকে ডেকা-গাভৰুৰ হিয়াৰ আদান-প্ৰদান, জীৱনৰ প্ৰতিশ্ৰুতি। পলসুৱা মাটিত গুজি দিয়া কঠিয়াই পঁজাল ধৰি গেৰ মেলি সোণালী হোৱাৰ ছন্দে ছন্দে অসমীয়া ডেকা-গাভৰুৰ অন্তৰ্মনৰ সপোন, আশা-আকাঙ্খা বাঢ়ি আহে। বিহুগীতত কৃষিৰ এনে ছন্দ ৰচকজনৰ মনতো লক্ষ্য কৰা যায়—

এইবেলি আহুধান পানীয়ে মাৰিলে
অহাবেলি শালিধান পাম,
ম'হৰ শিঙৰ পেঁপাটি বনকিয়াই আনাগৈ
তোমাৰ শপত বিহুলৈ যাম।

* * *

দকৈ পথাৰতে ধানে দাই আছিলোঁ
ঘিলাচকলীয়া ঐ মুঠি,
সকলোকে দেখোঁ মই চেনাইকে নেদেখোঁ
চাওঁ ঢাপৰে ওপৰত উঠি।

তাৰোপৰি বিভিন্ন প্ৰকাৰৰ ধান, কৃষি-কৰ্মৰ সৈতে অভিন্ন গৰু-ম'হ পালন আৰু এইবোৰৰ প্ৰতি থকা মানৱীয়তা-নৈতিকতাবোধ, পবিত্ৰতাত ধাৰণা আদিৰো ইংগিত বিহুগীতৰ মাজত লক্ষ্য কৰা যায়। অসমীয়া মানুহে কৃষি-কৰ্মৰ বাবে মাটি চহ কৰিবলৈ গৰু-ম'হ পালন কৰে, গৰু ম'হৰ গাখীৰ খাদ্য হিচাপে গ্ৰহণ কৰে। বহাগ বিহুৰ প্ৰথম দিনটোতে বছৰটোৰ বাবে কৰ্মক্ষম হৈ থাকিবলৈ আৰু কৃতজ্ঞতা প্ৰকাশৰ অৰ্থে গৰুৰ বিহু উদ্‌যাপন কৰা হয়—

চ'তে চকৰী বহাগত বগৰী
জেঠতে আমনা ধান,
গৰু বিহুৰ দিনা ল'বা আশীৰ্বাদ
তেহে পাবা বৈকুণ্ঠত স্থান।

* * *

এইবেলি বিহুটি খাবলৈ নাপালোঁ
মতাম'হ ৰখীয়া দিলে।

কেৱল গৰু-ম'হেই নহয় অসমৰ চাৰিওকাষে পোৱা আন জীৱ-জন্তু, পোক-পতঙ্গ আদিৰ সৈতেও অসমীয়া মানুহৰ জীৱনধাৰা সংপৃক্ত হৈ আছে। হাতী, ঘোঁৰা, মেকুৰী, ফেঁচা, নিগনি, মৌ, হাঁহ, কুকুৰা, গুই, হৰিণা আদি বিভিন্ন সৰু-বৰ জীৱ জন্তুৰ প্ৰসংগ বিহুগীতৰ মাজত পোৱা যায়। লগতে এইবোৰৰ জীৱন-ধাৰণ, চলন-ফুৰণৰ সূক্ষ্ম বিৱৰণো বিহুগীতত পোৱা যায়। বেছিভাগ ক্ষেত্ৰতে ডেকা-গাভৰুৱে জাতনামত প্ৰণয়ৰ আনন্দ-বিৰহ প্ৰকাশ কৰোঁতে আৰম্ভণিতে এনেকুৱা একোষাৰ কথা যোজনা হিচাপে জুৰি দিয়া দেখা যায়। কেতিয়াবা অৱশ্যে এনে প্ৰসংগক ৰূপক হিচাপেও ব্যৱহাৰ কৰা হয়—

মোৰে দুখে দেখি পানীত হাঁহ নচৰে
বামতো নচৰে গুই,
নিলাজী বনৰে ধেমালি কৰিছোঁ
দেহত বাৰেকুৰা জুই।

* * *

ধনৰ চেওমণি বটিয়া পুৰণি
পহু শিঙৰ হাঁকোটাত থ'লোঁ,
নিগনি শলিয়াই শতৰু শালিলে
ধনৰে আতাৰি হ'লোঁ।

* * *

হাতী পানী খালে হোৱাঙে দৈয়াঙে
ঘোঁৰাই পানী খালে বৈ,
ধনে পানী খালে পীৰিতি নিজৰাত
থিয় গৰাত খোপনি লৈ।

সেইদৰে অসমৰ হাবি-বননিত পোৱা চৰাই চিৰিকটিৰ কথাও বিহুগীতৰ মাজত বৰ্ণিত হৈছে। বিভিন্ন চৰাইৰ ভিন্ন সুৰীয়া মাতে মানুহৰ চেতনাত বেলেগ বেলেগ ধৰণে স্পৰ্শ কৰে। কোনোটো চৰাইৰ বিননিয়ে যদি মানুহৰ মনৰ শোক উঠলাই তোলে, আন কোনোটোৱে অন্তৰৰ আশা-আকাঙ্খাক দ্বিগুণ কৰি তোলে। এনেধৰণৰ বেলেগ বেলেগ চৰাইক

লৈ মানুহৰ মাজত বেলেগ বেলেগ লোক-বিশ্বাসো প্ৰচলিত হৈ আছে। কুলি, কেতেকী, কপৌ, পাৰ, টুনি, হেট্টলুকা, চাকৈ চকোৱা, জিলি কাম চৰাই, কাউৰী, দহিকতৰা, কুকুৰা, চিলনী, শেন, ডাউক, দৰিক, ঢাপলিকা, শালিকী, মৌপিয়া আদি বিভিন্ন চৰাইৰ উল্লেখ বিহুগীতত পোৱা যায়। লগতে এই চৰাইবোৰৰ বাসস্থান, চৰাইবোৰক লৈ থকা অসমীয়া সমাজৰ লোক-বিশ্বাস, চিটিকা-জাল পাতি অসমীয়া মানুহে চৰাই চিকাৰ কৰি খোৱা আদি বিষয়ো বিহুগীতবোৰৰ মাজত ধ্বনিত হৈছে—

বাঁহৰে আগতে  কপৌ চৰাই হালি
ধেনু নেমাৰিবা টানি,
শতৰু ছোৱালীত  চকু ঐ নিদিবা
দেহাক নকৰিবা পানী।
চিৰিপ্ চিৰিপ্ কৰি  কাপোৰ ধুই আছিলোঁ
ওপৰে উৰিলে টুনি,
টুনিৰ লগতে  উৰিম যেন লাগিলে
ওচৰত নহ'লা তুমি।

অসমৰ খাল-বিল, নদ-নদী আদিত বিভিন্ন জলজ উদ্ভিদ, জীৱ পোৱাৰ উপৰি প্ৰচুৰ পৰিমাণে বিভিন্ন প্ৰজাতিৰ মাছ-কাছ পোৱা যায়। এই মাছ-কাছসমূহক অসমীয়া মানুহে খাদ্য হিচাপে গ্ৰহণ কৰাৰ উপৰি জীৱিকাৰ বৃত্তি হিচাপেও গ্ৰহণ কৰে। এনে বিভিন্ন ধৰণৰ মাছ-কাছৰ উল্লেখো বিহুগীতৰ মাজত পোৱা যায়—

উজাই আহিলে  মাছে কি মগৰে
উজাই আহিলে শিঙ্গু,
কাণতে ঢোলেটি  মুখতে পেঁপাটি
পালেহি বহাগৰ বিহু।
কিনো মাছ মাৰিবৰ  তুৰা সমনীয়া
কিনো মাছ মাৰিবৰ তুৰা,
ৰংপুৰ নগৰত  কাৰেংঘৰ সাজিলে
মাৰলিৰ নেখালে জোৰা।

জৈৱ-বৈচিত্ৰ্যৰে ভৰপূৰ অসমত প্ৰকৃতি আৰু জীৱকুলৰ জীৱনচক্ৰই মানৱ জীৱনত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলায়। অসমীয়া মানুহৰ চিন্তন-মনন, আবেগ-অনুভূতি, জীৱন-ধাৰণ আদিত প্ৰাকৃতিক পৰিৱেশটোৱে প্ৰভাৱ পেলোৱাৰ লগতে পাৰিপাৰ্শ্বিক শোভা বৰ্ধনতো অৰিহণা যোগায়। অসমৰ হাবি-বননিত পোৱা গছ-লতিকাৰ পৰাই অসমীয়া মানুহে ৰোগ নিৰাময়ৰ বাবে ঔষধ প্ৰস্তুত কৰি লয়। বিহু গীতত যি নান্দনিকতাবোধ লক্ষ্য কৰা যায়, তাৰ মূলতে হ'ল অসমৰ পৰিপূৰ্ণ জৈৱ-বৈচিত্ৰ্য। জলবায়ুৰ বিশেষত্ব, তৃণভূমি, আদ্ৰভূমি আদিৰ দৰে পৰিৱেশীয় পৰিস্থিতিতন্ত্ৰৰ বিচিত্ৰতাই অসমক বিভিন্ন প্ৰকাৰৰ উদ্ভিদ আৰু প্ৰাণীৰ বসবাসৰ উপযোগী কৰি তুলিছে। সেয়েহে পণ্ডিতসকলে অসমক উত্তৰ-পূৰ্বৰ 'জৈৱ-গেটৱে' বুলি অভিহিত কৰিছে।

সহায়ক গ্ৰন্থপঞ্জী :

গন্ধীয়া, জয়কান্ত। বিহুৰ সাম্প্ৰতিক চিন্তা। অসম বুক ট্ৰাষ্ট। গুৱাহাটী। প্ৰথম প্ৰকাশ। নৱেম্বৰ, ২০১৯।
গগৈ, লীলা। বিহু-এটি সমীক্ষা। বনলতা। ডিব্ৰুগড়। চতুৰ্থ সংস্কৰণ। ২০১০।
ডেকা, সুৰেন্দ্ৰ নাথ আৰু হুছেইন, আবুল। হুঁচৰি : মুকলি বিহু, বিহু নাচৰ নিয়মাৱলী। বনলতা। গুৱাহাটী। তৃতীয় প্ৰকাশ। ২০১৮।
শৰ্মা, শশী। অসমৰ লোক সাহিত্য। ষ্টুডেণ্টচ্ ষ্ট'ৰচ্। গুৱাহাটী। ১৯৯৮।



Scanned with OKEN Scanner